# কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
# পদ্মনাথ গোহাঞিবৰুৱা মানৱিকী বিদ্যা অধ্যয়ন সত্ৰ

দুবছৰীয়া স্নাতকোত্তৰ পাঠ্যক্ৰম, অসমীয়া

আৰ্হি পুস্তিকা

আলোচনা সত্ৰ / গৱেষণা পত্ৰ পৰিৱেশন

২০২৫

# আলোচনা সত্ৰ / গৱেষণা পত্ৰ পৰিৱেশন নিৰ্দেশিকা

**পাতনি**

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে নতুন শিক্ষা নীতি ২০২০ অনুসৰি আগবঢ়োৱা দুবছৰীয়া স্নাতকোত্তৰ অসমীয়া পাঠ্যক্ৰমত দ্বিতীয় ষাণ্মাসিকৰ শিক্ষাৰ্থীসকলৰ আলোচনা সত্ৰত (Seminar) এখন লঘু গৱেষণা পত্ৰ পৰিৱেশনৰ প্ৰয়োজনীয়তা আছে। এই গৱেষণা পত্ৰ পৰিৱেশনৰ লগত জড়িত ক্ৰেডিট হৈছে ক্ৰমে চাৰি ক্ৰেডিট, য'ত ১২০ ঘণ্টাৰ অধ্যয়ন আৰু অনুশীলনী কৰ্ম থাকিব। মুঠ ৬০০০ শব্দৰ ভিতৰত লিখিবলগীয়া এই গৱেষণা পত্ৰখনৰ আৰ্হি কেনে ধৰণৰ হ'ব সেই বিষয়ে জনোৱা হ'ল —

অসমীয়া শিক্ষাৰ্থীসকলে নিজৰ নিজৰ অধ্যয়ন কেন্দ্ৰত জমা দিব লগীয়া এই গৱেষণা পত্ৰখন Unicode অত মুদ্ৰিত (DTP) হ'ব লাগিব। DTP কৰোতে ব্যৱহাৰ কৰিবলগীয়া Font হৈছে ক্ৰমে বাণীকান্ত অথবা জ্যোতিৰূপা Font অৰ জোখ হ'ব 14 (১৪)।

শিৰোনাম (Title) Bold - অত হ'ব লাগিব যাৰ জোখ 15 (১৫)।

উপশিৰোনাম (Subheading) Bold - অত হ'ব লাগিব যাৰ জোখ 14 (১৪)।

লঘু গৱেষণা পত্ৰ Spiral binding কৰাই নিৰ্দিষ্ট অধ্যয়ন কেন্দ্ৰত জমা দিব লাগিব য'ত অধ্যয়ন কেন্দ্ৰই বিশেষজ্ঞৰ হতুৱাই সেই লঘু গৱেষণা পত্ৰসমূহৰ মূল্যায়ন কৰাব।

গৱেষণা পত্ৰ জমা দিয়া অন্তিম তাৰিখ ১৫ চেপ্তেম্বৰ, ২০২৪ তথা অধ্যয়ন কেন্দ্ৰসমূহে সেই গৱেষণা পত্ৰসমূহৰ মূল্যায়ন প্ৰক্ৰিয়া সমাপ্ত কৰাৰ অন্তিম তাৰিখ ৩০ চেপ্তেম্বৰ, ২০২৪।

সচৰাচৰ গৱেষণা পত্ৰসমূহত একোটা বিশেষ বিষয়ক লৈ চমু লেখ একোটা আগবঢ়াবলৈ কোৱা হয়। আলোচনা সত্ৰত পৰিৱেশন কৰা গৱেষণা পত্ৰৰ উদ্দেশ্য হৈছে নিৰ্দিষ্ট উদাহৰণ কিছুমান আৰু তাৰ যুক্তিযুক্ততা প্ৰতিপন্ন কৰিবলৈ আগবঢ়োৱা প্ৰমাণ বা তথ্যসমূহৰ ব্যাখ্যা আগবঢ়োৱা। আলোচনা সত্ৰৰ গৱেষণা পত্ৰত তাৰ আলোচ্য বিষয়টোৰ পুংখানুপুংখ বহল ব্যাখ্যা থাকিব লাগিব। আপুনি আলোচনা সত্ৰত নিৰ্ধাৰিত প্ৰাসংগিক বিষয় উপস্থাপন কৰিব পাৰিব। ই ক্ষেত্ৰ ভিত্তিক অধ্যয়নৰ বিষয়ো হ'ব পাৰে নতুবা তত্ত্বগত বিষয়ৰ গৱেষণা পত্ৰও হ'ব পাৰে।

সাধাৰণতে আলোচনা সত্ৰৰ গৱেষণা পত্ৰত চাৰিটা প্ৰধান অংশ থাকে — আৰম্ভণি, পশ্চাদপট, বিশ্লেষণ আৰু মোখনি।

<u>আলোচনা সত্ৰৰ বাবে প্ৰস্তুত কৰা গৱেষণা পত্ৰৰ আৰ্হি</u>

1. **আৰম্ভণি ঃ**

ইয়াত আপুনি গৱেষণা পত্ৰখনৰ মূল প্ৰশ্ন বা সাৰ কথা কি তাক স্থিৰ কৰিব লাগিব। আপোনাৰ প্ৰধান কাম কেইটা হ'ব —

a) কি কাৰণে বিষয়টো গুৰুত্বপূৰ্ণ তাৰ বিষয়ে আৰম্ভণিতে কিছু কথা লিখক।

b) পশ্চাদপটৰ প্ৰয়োজনীয় তথ্যসমূহৰ সাৰ ভাগ চমুকৈ লিখক।

c) আপুনি আপোনাৰ গৱেষণা পত্ৰখনক কেনে ধৰণৰ গঢ় দিব বিচাৰিছে সেই বিষয়ে এক "আৰ্হিপথ" (Roadmap) প্ৰস্তুত কৰক।

d) আপোনাৰ গৱেষণা পত্ৰখনে কি উন্মোচন কৰিব খুজিছে আৰু কি দৰে — সেই কথা শ্ৰোতাসকলৰ আগত ব্যক্ত কৰক।

e) যদি আপুনি গৱেষণা পত্ৰখনৰ সাৰাংশ সংক্ষিপ্তভাৱে প্ৰকাশ কৰাৰ লগতে তাত থকা যুক্তিসমূহ নিজ গুণেৰে প্ৰতিপন্ন কৰিব পাৰে, তেতিয়া হ'লে আপোনাৰ গুণমুগ্ধ শ্ৰোতাসকলেও আপুনি আগবঢ়োৱা বিশ্লেষণ বুজি পাব।

2. **পশ্চাদপট ঃ**

এইখিনিতে আপুনি শ্ৰোতাসকলক আপোনাৰ গৱেষণা ক্ষেত্ৰৰ সামগ্ৰিক ধাৰণা এটা আগবঢ়াবলৈ চেষ্টা কৰিব। ইয়াত আপোনাৰ কেতবোৰ কৰণীয় আছে। সেইসমূহ হৈছে ক্ৰমে —

a) বিষয়টোৰ উদ্ভৱ সম্পৰ্কে বৰ্ণনা আগবঢ়াওক।

b) ইয়াৰ বিকাশৰ সময়ত উদ্ভৱ হোৱা পৰিৱৰ্তনসমূহ বৰ্ণনা কৰক।

c) পৰিৱৰ্তনৰ কাৰণসমূহ ব্যাখ্যা কৰক।

d) চলিতাৱস্থাত বিষয়টোৰ স্থিতি কি তাৰ বিৱৰণ (ভৱিষ্যতে হ'ব পৰা পৰিৱৰ্তনৰ কাৰণসমূহৰ বিষয়েও আপুনি ইংগিত দিব পাৰে)।

3. **বিশ্লেষণ ঃ**

ইয়াত আপুনি প্ৰস্তুত কৰা গৱেষণা পত্ৰখনৰ সাৰ কথাভাগ ব্যাখ্যা কৰিব লাগিব / গৱেষণা পত্ৰখন প্ৰস্তুতিৰ আঁৰত থকা যুক্তিযুক্ততা প্ৰতিপন্ন কৰিব লাগিব। ইয়াত আপোনাৰ কৰণীয় হৈছে —

➢ **বাপক পৰিসৰৰ সংৰচনা ঃ** ইয়াৰ লগত জড়িত কাৰ্যবোৰ হৈছে ঃ

a) মুখ্য সমস্যাসমূহৰ আলোচনা;

b) মুখ্য সমস্যাৰ পৰা ক্ষুদ্ৰ সমস্যাসমূহ পৃথক কৰা।

c) সমস্যাসমূহ যুক্তিসংগতভাৱে ক্ৰমানুসাৰে সজোৱা।

- **ক্ষুদ্ৰ পৰিসৰৰ সংৰচনা ঃ** ইয়াৰ লগত জড়িত কাৰ্যবোৰ হৈছে ঃ

a) প্ৰতিটো সমস্যাৰ পৰিচয় আৰু তাৰ মোখনি

b) আপোনাৰ নিজৰ যুক্তিসমূহ প্ৰতিপন্ন কৰক আৰু বিপক্ষৰ যুক্তি খণ্ডন কৰক।

c) য'ত উপযুক্ত বুলি বিবেচনা কৰে তাত সাংগঠনিক আৰ্হি ব্যৱহাৰ কৰক।

4. **মোখনি ঃ**

ইয়াত আপোনাৰ কাৰ্যক্ৰমণিকা এনেধৰণৰ হ'ব ঃ

a) গৱেষণা পত্ৰৰ বিষয়টোৰ ওপৰত পুনৰ অৱলোকন

b) প্ৰধান দিশসমূহৰ সংক্ষিপ্তসাৰ উল্লেখ

c) গৱেষণা পত্ৰৰ অৱতৰণিকাত যদি আপুনি প্ৰাক্ কল্পনা ব্যৱহাৰ কৰিছে, তেতিয়াহ'লে মোখনিত আপুনি সেই প্ৰাক্ কল্পনাৰ আধাৰত আপোনাৰ মতামত ব্যক্ত কৰিব। লক্ষণীয় যে প্ৰাক্ কল্পনা আৰু আপুনি গৱেষণা পত্ৰত উত্থাপন কৰা বিষয়টোৰ মাজত সুসমন্বয় ৰক্ষিত হয়।

**<u>কেইটামান প্ৰয়োজনীয় কথা</u>**

a) আপোনালোক প্ৰত্যেক গৰাকী শিক্ষাৰ্থীয়ে যি গৱেষণা পত্ৰ আলোচনা সত্ৰত উপস্থাপন কৰে, সেই গৱেষণা পত্ৰ উপস্থাপন কৰা প্ৰমাণ স্বৰূপে নিজ নিজ অধ্যয়ন কেন্দ্ৰৰ সমন্বয়ক (Study Centre Coordinator) ৰ চহী আৰু চীল-মোহৰযুক্ত প্ৰমাণ পত্ৰৰ প্ৰতিলিপি তথা চীল-মোহৰযুক্ত গৱেষণা পত্ৰৰ প্ৰতিলিপি নিজৰ লগত সদায় ৰাখিব। বিশ্ববিদ্যালয় কৰ্তৃপক্ষই যি কোনো সময়ত আৱশ্যকতা অনুসৰি আপোনালোকৰ সেই গৱেষণা পত্ৰ তথা প্ৰমাণপত্ৰৰ প্ৰতিলিপি বিচাৰিব পাৰে।

b) আপোনালোকক বিশ্ববিদ্যালয়ৰ মুখ্য কাৰ্যালয় অথবা অন্য কোনো নিৰ্ধাৰিত স্থানত আপোনালোকৰ গৱেষণা পত্ৰ উপস্থাপন কৰিবলৈ ক'ব পাৰে। সেই উপস্থাপন মুখা মুখি অৰ্থাৎ offline mode নতুবা online mode - অত হ'ব পাৰে।

c) গৱেষণা পত্ৰসমূহ মুদ্ৰন যন্ত্ৰত মুদ্ৰিত (DTP) কৰা হ'ব লাগিব। A4 size কাগজত দুয়ো পৃষ্ঠাত হোৱাকৈ আপোনালোকৰ গৱেষণা পত্ৰ print কৰাব লাগিব। প্ৰত্যেক পৃষ্ঠাৰ বাওঁফালে 1.5 inch margin থাকিব লাগিব। সোঁফালে 1.2 inch হিচাপত margin থাকিব লাগিব। তদুপৰি পৃষ্ঠাৰ ওপৰ আৰু তলফালে 1.2 inch হিচাপত margin থাকিব লাগিব। প্ৰতিটো পৃষ্ঠাত সংখ্যা থাকিব লাগিব (উদাহৰণ - পৃষ্ঠা ১, পৃষ্ঠা ২, ইত্যাদি)।

d) আলোচনা সত্ৰত গৱেষণা পত্ৰ উপস্থাপন কৰা কোঠাটো সুব্যৱস্থিত হ'ব লাগিব আৰু গৱেষণা পত্ৰ পাঠ কৰা স্থানৰ পিছফালে আলোচনা সত্ৰৰ Banner খন লগোৱা থাকিব লাগিব।

e) প্ৰত্যেকটো অধ্যয়ন কেন্দ্ৰই যথাসম্ভৱ এই গৱেষণা পত্ৰ পাঠ অনুষ্ঠানৰ Video Recording কৰিব লাগিব আৰু প্ৰত্যেক গৰাকী গৱেষণা পত্ৰ পাঠ কৰা শিক্ষাৰ্থীক নিজৰ নিজৰ গৱেষণা পত্ৰ পাঠৰ Video Recording দিব লাগিব যাতে আৱশ্যকতা অনুসৰি বিশ্ববিদ্যালয় কৰ্তৃপক্ষই সেই Video বিচাৰিলে পায়। এই ক্ষেত্ৰত অধ্যয়ন কেন্দ্ৰৰ সমন্বয়ক গৰাকীৰ ভূমিকা গুৰুত্বপূৰ্ণ।

d) কাৰিকৰী অসুবিধাবশতঃ অধ্যয়ন কেন্দ্ৰই সেই Video Recording ব্যৱস্থা কৰিব নোৱাৰিলে শিক্ষাৰ্থীসকলে নিজেই সেই Video Recording নিজৰ নিজৰ mobile phone - অত কৰিব লাগিব (GPS on কৰি) আৰু পৰীক্ষাৰ ফলাফল ঘোষণা নোহোৱালৈকে সেই Video Recording ভালদৰে সংৰক্ষণ কৰিব লাগিব যাতে বিশ্ববিদ্যালয়ে যেতিয়াই বিচাৰে তেতিয়াই শিক্ষাৰ্থীৰ পৰা সেই Video Recording লাভ কৰিব পাৰে।

**<u>গৱেষণা পত্ৰৰ নিৰ্বাচিত বিষয়সমূহ ঃ</u>**

গৱেষণা পত্ৰখনৰ বিষয়ে অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতিৰ যিকোনো বিষয় লৈ হ'ব পাৰে।

**<u>পাঠ্যক্ৰম সমন্বয়ৰক্ষী ঃ</u>**

ড° নিভা ৰাণী ফুকন, সহযোগী অধ্যাপক, অসমীয়া বিভাগ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়।

****************************